# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI
0000000000

**Date :** 18-01-2025
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*

**- - - - - - - - - - - - - -**

১। কাইলৈ প্ৰাদেশীকীকৃত মাধ্যমিক বিদ্যালয়ৰ স্নাতক আৰু স্নাতকোত্তৰ শিক্ষক পদৰ নিযুক্তি পৰীক্ষা।
২। ডিমা হাচাও জিলাৰ উমৰাংছ' আৰক্ষী থানাৰ অধীনৰ ১৯ কিলোমিটাৰ এলেকাৰ সমীপত স্কুলবাছৰ শোকাবহ দুৰ্ঘটনা। এগৰাকী ছাত্ৰীৰ নিহত, কেইবাগৰাকীও গুৰুতৰভাৱে আহত।
৩। পবিতৰা অভয়াৰণ্যত বন বিভাগ আৰু কেইবাটাও বেচৰকাৰী সংস্থাৰ সহযোগত পক্ষী গণনা সম্পন্ন।
৪। মৰিগাঁও জিলাৰ জাগীৰোডৰ জোনবিলৰ পাৰত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত জোনবিল মেলাৰ আজি সামৰণি। *আৰু*
৫। আই চি চি চেম্পিয়নছ ট্ৰফীৰ বাবে ১৫ জনীয়া ভাৰতীয় দল ঘোষণা।

০০০০০

শিক্ষা বিভাগে প্ৰাদেশীকীকৃত মাধ্যমিক বিদ্যালয়ৰ স্নাতক আৰু স্নাতকোত্তৰ শিক্ষক পদৰ নিযুক্তি পৰীক্ষা কাইলৈ অনুষ্ঠিত কৰিব। কাইলৈ দুয়োবেলা দুটা পৰ্যায়ত অনুষ্ঠিত হ'বলগীয়া পৰীক্ষাত স্নাতক পৰ্যায়ত ৩৯ হাজাৰ ২২৪ গৰাকী প্ৰাৰ্থী আৰু স্নাতকোত্তৰ পৰ্যায়ত ৩০ হাজাৰ ৩৫৮ গৰাকী প্ৰাৰ্থী অৱতীৰ্ণ হ'ব। এই পৰীক্ষাৰ সময়ছোৱাত শান্তিশৃংখলা অটুট ৰখাৰ বাবে বিভিন্ন জিলাত কেতবোৰ নিৰ্দেশনা জাৰি কৰা হৈছে। জিলাসমূহত জাৰি কৰা নিৰ্দেশনা অনুসৰি পৰীক্ষা কেন্দ্ৰৰ পৰা ১০০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত প্ৰাৰ্থী আৰু পৰীক্ষাৰ সৈতে জড়িত কৰ্তৃপক্ষৰ বাহিৰে আন ব্যক্তিৰ উপস্থিতি নিষিদ্ধ কৰা হৈছে। তদুপৰি পৰীক্ষাকেন্দ্ৰৰ চাৰিওফালে বাহন ৰখাৰ ব্যৱস্থা সীমিত কৰা হৈছে। পৰীক্ষা কেন্দ্ৰলৈ ম'বাইল ফোন, কেলকুলেটৰ, স্মাৰ্ট হাতঘড়ী, ব্লুটুথ আদি ইলেকট্ৰনিক সঁজুলি অনাৰ ক্ষেত্ৰত নিষেধাজ্ঞা জাৰি কৰা হৈছে।

০০০০০

মাজুলীৰ উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱগোস্বামীৰ নেতৃত্বত ৪০ জনীয়া ভকত-বৈষ্ণৱৰ এটা দল আজি প্ৰয়াগৰাজৰ মহাকুম্ভ মেলালৈ ৰাওনা হৈছে। এই উপলক্ষ্যে আজি পুৱা গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ পৰা উলিওৱা ভাগৱত শোভাযাত্ৰাত অসম বিধান সভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, শিক্ষামন্ত্ৰী ডাং ৰণোজ পেগু, মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই অংশগ্ৰহণ কৰে। উত্তৰ কমলাবাৰী সত্ৰৰ বৈষ্ণৱসকলে প্ৰথমবাৰৰ বাবে মহাকুম্ভ মেলাত নামঘৰ, মণিকূট আৰু ৰাঙলি চ'ৰা নিৰ্মাণ কৰি উলিয়াইছে। একেদৰে কামাখ্যা মন্দিৰৰ এটি আৰ্হিও নিৰ্মাণ কৰা হৈছে। ভকত-বৈষ্ণৱৰ এই দলটোৱে ভাগৱত পাঠ, অংকীয়া ভাওনা, সত্ৰীয়া নৃত্য আৰু নাম-প্ৰসংগ পৰিৱেশন কৰিব। দলটো পৰহিলৈ প্ৰয়াগৰাজত উপস্থিত হ'ব।

০০০০০

ডিমা হাচাও জিলাৰ উমৰাংছ’ আৰক্ষী থানাৰ অধীনৰ ১৯ কিলোমিটাৰ এলেকাৰ সমীপত আজি পুৱা এটা শোকাৱহ স্কুলবাছ দুৰ্ঘটনা সংঘটিত হয়। এটা চৰকাৰী বিবৃতিযোগে জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ ক্ষেত্ৰ বিষয়াই জনাইছে যে এই দুৰ্ঘটনাত এগৰাকী ছাত্ৰীয়ে প্ৰাণ হেৰুওৱাৰ লগতে ছগৰাকী ছাত্ৰ-ছাত্ৰী গুৰুতৰভাবে আহত হৈছে। আহত ছাত্ৰ-ছাত্ৰী সকলক জৰুৰীকালীন চিকিৎসাৰ বাবে হোজাই হাম চিকিৎসালয়লৈ লৈ যোৱা হয়। নিহত ছাত্ৰীগৰাকী ১০ বছৰীয়া দালিমাৰ ৰংহাংপি বুলি চিনাক্ত কৰা হৈছে। আনহাতে আহত ছাত্ৰ-ছাত্ৰীসকল হ’ল আৰ্কলিংছন হাঞ্চে, ফেলিহা চিংথংপি, সৰমুকৰং তেৰাং, দিব্যা ৰংহাংপি, ৰুপলিন ইংতিপি আৰু মালিন তেৰনপি। ইয়াৰ লগতে চৰকাৰী বিবৃতি অনুসৰি সামান্যভাৱে আহত আন ১৬ জন ছাত্ৰ-ছাত্ৰীক আৰক্ষীৰ লগতে এটা জৰুৰীকালীন সঁহাৰি দলে প্ৰাথমিক চিকিৎসাৰ ব্যৱস্থা কৰে। দুৰ্ঘটনাৰ কাৰণ এতিয়ালৈকে জানিব পৰা হোৱা নাই যদিও সম্পূৰ্ণ তদন্ত চলাই থকা হৈছে বুলি জিলাখনৰ প্ৰশাসনে জানিবলৈ দিছে। ঘটনাটোৱে সমগ্ৰ অঞ্চলতে শোকৰ ছাঁ পেলাইছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ আকাশবাণীৰ  মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ’ব অনুষ্ঠানটোৰ ১১৮ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি airnews ৱেৱছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে  শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউৱ চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ’ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

ooooo

মৰিগাঁও জিলাৰ পবিতৰা অভয়াৰণ্যত বন বিভাগ তথা প্ৰকৃতি প্ৰেমী সংগঠন আৰণ্যক আৰু আন কেইবাটাও বেচৰকাৰী সংস্থাৰ সহযোগত আজি জলচৰ পক্ষী গণনা কাৰ্যসূচী সম্পন্ন কৰা হয়। ২০২৩-২৪ বৰ্ষত ৫৬টা প্ৰজাতিৰ প্ৰায় ৮ হাজাৰ পক্ষীৰ তুলনাত এইবাৰ প্ৰায় ১০ হাজাৰ প্ৰজাতিৰ পক্ষী আছে বুলি গণনাকাৰীসকলে প্ৰকাশ কৰিছে। অভয়াৰণ্যখনত পক্ষীৰ সংখ্যা বৃদ্ধি হোৱাৰ লগতে কেইবাটাও নতুন প্ৰজাতিৰ চৰাই দেখিবলৈ পোৱা গৈছে বুলি পবিতৰা অভয়াৰণ্যৰ বন আঞ্চলিক বিষয়া প্ৰাঞ্জল বৰুৱাই জানিবলৈ দিয়ে।

ooooo

তামুলপুৰ আৰক্ষীয়ে অভিযান চলাই ভাৰত-ভূটান সীমান্তৰ দৰঙা মেলাত অবৈধ পেট্ৰ’ল ভৰ্তি সাতখন বাহন জব্দ কৰাৰ লগতে ৬ গৰাকী লোকক আটক কৰিছে। প্ৰতিখন বাহনতে অতিৰিক্ত তেলৰ টেংকী সংযোগ কৰি লৈ ৬০০ লিটাৰৰো অধিক পেট্ৰ’ল ভূটানৰ পৰা আনিছিল বুলি আৰক্ষীয়ে জানিবলৈ দিছে। উল্লেখযোগ্য যে, ভাৰত-ভূটান সীমান্তত একাংশ তেল মাফিয়াই ভূটানৰ পৰা অবৈধভাৱে ক্ৰয় কৰি আনি তামুলপুৰ জিলাৰ বিভিন্ন প্ৰান্তত বিক্ৰী কৰি চৰকাৰৰ ৰাজহ সংগ্ৰহত বৃহৎ ক্ষতি কৰি আহিছে। তামুলপুৰ আৰক্ষীয়ে এই ক্ষেত্ৰত অধিক গুৰুত্ব দি তেল মাফিয়াৰ চক্ৰটো উৎখাত কৰিবলৈ অভিযান অব্যাহত ৰাখিছে।

ooooo

মৰিগাঁও জিলাৰ জাগীৰোডৰ জোনবিলৰ পাৰত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত জোনবিল মেলাৰ আজি সামৰণি পৰে। আজি  গোভা ৰজা দীপসিং দেওৰজাই দ্বিতীয়খন ৰাজদৰবাৰ অনুষ্ঠিত কৰে। এই ৰাজদৰবাৰত মধ্য অসমৰ তিৱা ৰজাসকলে অংশগ্ৰহণ কৰে। গোভা দেওৰজাৰ অৰম বিলত সমূহীয়া মাছ ধৰা

পৰ্ব আৰু ৰজাৰ বিষয়াবৰ্গই প্ৰতীকি ৰূপত কৰ সংগ্ৰহৰ পাছতে তিনিদিনীয়া এই মেলাৰ সামৰণি পৰে। তিনি দিনীয়া এই মেলাৰ বিষয়ে মৰিগাঁৱৰ সংবাদদাতা ডালিম ফুকনে এইদৰে কয়–

**(বাইট ঃ ডালিম ফুকন)**

০০০০০

বৰপেটাত আজিৰে পৰা তিনিদিনীয়াকৈ শংকৰী সাংস্কৃতিক ভাওনা দলৰ উদ্যোগত দ্বিতীয় বাৰ্ষিক ভাওনা সমাৰোহ অনুষ্ঠিত হৈছে। এই সমাৰোহৰ মথুৰাদাস বুঢ়া আতা ৰংগক্ষেত্ৰ দ্বাৰ উন্মোচন কৰে বৰপেটা সত্ৰৰ ডেকা সত্ৰীয়া গৌতম পাঠকে। ইয়াৰ লগতে অধিবক্তা দীপক দাসে ভাওনা সমাৰোহৰ স্মৃতি তৰ্পণ কৰে।

০০০০০

ৰাজ্য চৰকাৰে ঝুমুইৰ নৃত্যক বিশ্ব দৰবাৰত বিশেষ পৰিচয় প্ৰদান কৰাৰ উদ্দেশ্যেৰে অহা ২৪ ফেব্ৰুৱাৰীত গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত **ঝুমুইৰ বিনন্দিনী** শীৰ্ষক এটা অনুষ্ঠানৰ আয়োজন কৰিবলৈ লোৱা হৈছে। অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ বিচৰা কামৰূপ জিলাৰ কমলপুৰ আৰু পলাশবাৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত ঝুমুইৰ শিল্পীসকলৰ বাবে অহা ২০ জানুৱাৰীৰ পৰা ২৩ জানুৱাৰীলৈ সমষ্টি দুটাৰ অধীনত সমষ্টি পৰ্যায়ৰ নৃত্য কৰ্মশালাৰ আয়োজন কৰা হৈছে। কমলপুৰ বিধানসভা সমষ্টিৰ বাবে মান্দাকাটা দুৰ্গা মন্দিৰ প্ৰাংগণত আৰু পলাশবাৰী বিধানসভা সমষ্টিৰ বাবে ৰজাপাৰাৰ কলঘৰ সমূহীয়া প্ৰেক্ষাগৃহত সুকীয়া সুকীয়াকৈ এই কৰ্মশালা পাতিবলৈ লোৱা হৈছে। আগ্ৰহী শিল্পীসকলক কৰ্মশালাত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনোৱা হৈছে।

০০০০০

যোৱা ১৫ জানুৱাৰীৰ পৰা অনুষ্ঠিত হোৱা শিৱসাগৰ জিলাৰ বেতবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ আজি সামৰণি পৰে। বিস্তৃত কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা এই মহাৰজত জয়ন্তীৰ আজি অন্তিম দিনা বিদ্যালয়খনৰ চৌহদৰ পৰা এটা বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। শোভাযাত্ৰা উদ্বোধন কৰি যোৰহাট লোকসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈয়ে শিক্ষানুষ্ঠানখনৰ উজ্বল ভৱিষ্যত কামনা কৰাৰ লগতে অনাগত দিনত সহায়-সহযোগিতা আগবঢ়াব বুলি আশ্বাস প্ৰদান কৰে। শোভাযাত্ৰাত বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ লগতে স্থানীয় ৰাইজেও অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলে হুঁচৰি পৰিৱেশন কৰে। উল্লেখযোগ্য যে ১৯৪৯ চনতে প্ৰতিষ্ঠা লাভ কৰা বেতবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ে সমগ্ৰ অঞ্চলতে সুস্থ শৈক্ষিক পৰিৱেশ গঢ়ি তোলাৰ লগতে ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ বহুকেইজন খেলুৱৈক গঢ় দি এখন অগ্ৰণী শিক্ষানুষ্ঠান ৰূপে নিজৰ এটা সুকীয়া পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছে।

০০০০০

গুৱাহাটীৰ মাছখোৱাৰ প্ৰাগজ্যোতিষ আই টি এ প্ৰেক্ষাগৃহত কাইলৈ বিশিষ্ট সাংবাদিক ৰাধিকামোহন ভাগৱতীৰ ৯৩ সংখ্যক জন্মদিন উপলক্ষে এখন প্ৰাৰ্থনা সভাৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত বৰেণ্য গল্পকাৰ অপূৰ্ব শৰ্মাই **ৰাধিকামোহন ভাগৱতীৰ নিৰ্বাচিত সম্পাদকীয়** শীৰ্ষক এখনী গ্ৰন্থ সংকলন উন্মোচন কৰিব। অনুষ্ঠানত বিশিষ্ট চিন্তাবিদ ড০ হীৰেন গোহাঁই আৰু বিশিষ্ট বুৰঞ্জীবিদ ড০ ৰাজেন শইকীয়া উপস্থিত থাকিব।

০০০০০

শ্ৰীভূমিৰ আৰক্ষী দলে আজি গোপন তথ্যৰ ভিত্তিত অসম-ত্ৰিপুৰা সীমান্তৰ চুৰাইবাৰী তালাচী চকীত অভিযান চলাই এখন বাহনৰ পৰা বুজন পৰিমাণৰ নিচা জাতীয় দ্ৰব্য জব্দ কৰে। ঘটনা সন্দৰ্ভত পশ্চিমবংগৰ ৰবিউল শ্বেখ নামৰ এজন ব্যক্তিক গ্ৰেপ্তাৰ কৰি জেৰা অব্যাহত ৰাখিছে।

০০০০০

মুখ্যমন্ত্ৰী তদাৰকী কোষে ধুবুৰীৰ বন সংমণ্ডল বিষয়া হিৰণ্য পাঠকৰ নাৰেঙ্গীৰ বাসগৃহত আজি অভিযান চলায়। আয় বহিঃভূত সম্পত্তি অৰ্জনৰ গোচৰত অভিযুক্ত পাঠকৰ বাসগৃহত আজি পুৱাৰে পৰা কেইবাঘণ্টাজোৰা অভিযান চলাই তদাৰকী কোষৰ দলটোৱে কেতবোৰ গুৰুত্বপূৰ্ণ নথি-পত্ৰ জব্দ কৰে।

০০০০০

নলবাৰী জিলাৰ বিল্বেশ্বৰ দেৱালয়ৰ বাকৰিত অসম নাট্য সন্মিলনৰ ৬৩ সংখ্যক মধ্যকালীন অধিবেশন কালিৰে পৰা অনুষ্ঠিত হৈছে। বিশিষ্ট নাট্যকাৰ তথা অসম নাট্য সন্মিলনৰ প্ৰাক্তন সম্পাদক ৰমেশ কুমাৰ হালৈয়ে এই অধিবেশন উদ্বোধন কৰে। অধিবেশনৰ আজি দ্বিতীয় দিনা কেন্দ্ৰীয় বিষয়ববীয়া, মণ্ডল আৰু জিলা সমিতিৰ বিষয়ববীয়া আৰু কেইবাগৰাকী নাট্যকৰ্মীয়ে ৬১ খন পতাকা উত্তোলন কৰে।

০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত ইয়াৰ দৃষ্টিপাত অনুষ্ঠানত সমূহীয়া অনাতাঁৰ কেন্দ্ৰ বিষয়ক এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। ইয়াত ৰাজ্যখনৰ কেইবাটাও সমূহীয়া অনাতাঁৰ কেন্দ্ৰৰ উপস্থাপকসকলে অংশগ্ৰহণ কৰিব। ষ্টুডিঅ'ত থাকিব সমূহীয়া অনাতাঁৰ কেন্দ্ৰৰ এগৰাকী অন্যতম বাটকটীয়া ভাস্কৰজ্যোতি আচাৰ্য আৰু আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰ।

০০০০০

বৰপেটা জিলাৰ হাৰিঘাটা গাঁও নিবাসী বিশিষ্ট সমাজকৰ্মী প্ৰসন্ন কুমাৰ গোস্বামীৰ কালি নিজ বাসভৱনত দেহাৱসান ঘটে। অসম চৰকাৰৰ অধীনস্থ মথাউৰি আৰু বান নিয়ন্ত্ৰণ বিভাগত ১৯৫৫ চনত কৰ্মজীৱন আৰম্ভ কৰা প্ৰয়াত গোস্বামীয়ে ১৯৯২ চনত বিভাগৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল। অৱসৰৰ পাছত বিভিন্ন সামাজিক, সাংস্কৃতিক আৰু শৈক্ষিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত হৈ থকা গোস্বামীৰ মৃত্যুৰ সময়ত বয়স আছিল ৯৩ বছৰ।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই প্ৰতিদিনে পুৱা ৭ বাজি ৫৫ মিনিট আৰু সন্ধিয়া ৬ বজাত প্ৰচাৰ কৰি অহা বাতৰিত **উজনিৰ বাতৰি** বুলি নামকৰণ কৰাৰ বাবে কিছুসংখ্যক শ্ৰোতাই আপত্তি দৰ্শোৱা বাতৰি বিভাগৰ দৃষ্টিগোচৰ হৈছে। এই ক্ষেত্ৰত বাতৰি বিভাগে স্পষ্ট কৰিব বিচাৰে যে, ৰাজ্যখনক উজনি আৰু নামনি নামেৰে বিভাজন কৰাৰ কোনো উদ্দেশ্য বাতৰি বিভাগৰ নাই। আকাশবাণীৰ সঞ্চালকালয়ৰ নিৰ্দেশমৰ্মে পূৰ্বে আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ পৰা প্ৰচাৰিত বাতৰি বুলেটিন বৰ্তমান গুৱাহাটী কেন্দ্ৰৰ পৰা প্ৰচাৰ কৰা হৈছে। সেয়েহে এই বাতৰিক **উজনিৰ বাতৰি**ৰূপে নামকৰণ কৰা হৈছিল। তৎসত্ত্বেও শ্ৰোতাসকলৰ অনুভূতিৰ প্ৰতি শ্ৰদ্ধা জনাই এই দুয়োখন বাতৰি বুলেটিনক **উজনি অসমৰ বাতৰি**ৰূপে নামকৰণ কৰা হৈছে। এই বাতৰি বুলেটিনকো অসমৰ সকলো শ্ৰোতাই আদৰি ল'ব বুলি আশা কৰা হৈছে।

০০০০০

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ বি চি চি আয়ে আই চি চি চেম্পিয়নছ ট্ৰফী আৰু ইংলেণ্ডৰ বিৰুদ্ধে হ'বলগীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ বাবে ১৫ জনীয়া দল ঘোষণা কৰিছে। কুলদীপ যাদৱ, যশপ্ৰীত বুমৰা আৰু মহম্মদ শ্বামীক ভাৰতীয় দলত অন্তৰ্ভুক্ত কৰা হৈছে। ৰোহিত শৰ্মাৰ নেতৃত্বত খেলিবলগীয়া এই দলটোত সুভমন গীল, যশস্বী জয়ছোৱাল, বিৰাট কোহলী, কে এল ৰাহুল, ঋষভ পণ্ট, হাৰ্ডিক পাণ্ডিয়া, ৰবীন্দ্ৰ জাদেজা,

অক্ষৰ পাটেল, ৱাশ্বিংটন সুন্দৰ আৰু আৰ্শদ্বীপ সিঙে স্থান লাভ কৰিছে। ভাৰতে ১৯ ফেব্ৰুৱাৰীত আৰম্ভ হ'বলগীয়া চেম্পিয়নছ ট্ৰফীত অংশগ্ৰহণ কৰাৰ বাবে ডুবাইলৈ বুলি ৰাওনা হোৱাৰ পূৰ্বে ৬, ৯ আৰু ১২ ফেবব্ৰুৱাৰীত ইংলেণ্ডৰ বিৰুদ্ধে তিনিখন এদিনীয়া খেলত অৱতীৰ্ণ হ'ব। ভাৰতক চেম্পিয়নছ ট্ৰফীৰ গ্ৰুপ এত স্থান দিয়া হৈছে আৰু দলটোৱে ২০ ফেব্ৰুৱাৰীত বাংলাদেশৰ বিৰুদ্ধে নিজৰ প্ৰথমখন খেলত অৱতীৰ্ণ হ'ব। ভাৰত ২৩ ফেব্ৰুৱাৰীত পাকিস্তান আৰু ২ মাৰ্চত নিউজিলেণ্ডৰ সন্মুখীন হ'ব। ভাৰতৰ আটাইকেখন খেল ডুবাইত অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে ভাৰতীয় ক্ৰিকেট দলে পাকিস্তানত অনুষ্ঠিত কোনো খেলত অংশগ্ৰহণ নকৰিবলৈ লোৱা সিদ্ধান্তৰ পৰিপ্ৰেক্ষিতত দলটোৱে খেলিবলগীয়া প্ৰতিখন খেল ডুবাইৰ আন্তৰ্জাতিক ক্ৰিকেট ষ্টেডিয়ামত খেলোৱাৰ দিহা কৰা হৈছে।

ooooo

নতুন দিল্লীৰ কে ডি যাদৱ ইণ্ডৰ ষ্টেডিয়ামত আজি সন্ধিয়া অনুষ্ঠিত হ'বলগীয়া ইণ্ডিয়া অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ ছেমী ফাইনেলত ভাৰতীয় যুটি চিৰাগ ছেট্টী আৰু স্বাত্বিক ছাইৰাজ ৰণকীৰেড্ডী তৃতীয় বাছনিৰ মালয়েছিয়াৰ প্ৰতিদ্বন্দ্বীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। ভাৰতীয় যুটিটোৱে কালি কোৱাৰ্টাৰ ফাইনেলত তেওঁলোকৰ দক্ষিণ কোৰিয়াৰ প্ৰতিদন্দ্বীক ২১-১০, ২১-১৭ গেমত পৰাস্ত কৰিছিল।

ooooo

ইণ্ডিয়ান ছুপাৰ লীগৰ কোচিৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত আজি নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাৱে কেৰালা ব্লাষ্টাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব। শেহতীয়া তিনিখন খেলত ড্ৰ খেলা নৰ্থ ইষ্ট ইউনাইটেডৰ বাবে আজিৰ খেলখন গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে। ২৪ পইণ্টেৰে তালিকাৰ পঞ্চম স্থানত থকা নৰ্থ ইষ্ট ইউনাইটেডে ইয়াৰ পূৰ্বে গুৱাহাটীত কেৰালা ব্লাষ্টাৰ্ছৰ বিৰুদ্ধে ড্ৰ খেলিছিল।

oooooo

সমাপ্ত